**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-12-2025
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল ভৱন ৰাষ্ট্ৰৰ নামত উৎসৰ্গা।

২। কাইলৈ প্ৰধানমন্ত্ৰীৰ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন।

৩। অসম তথা উত্তৰ-পূব ভ্ৰমণ অবিহনে ভাৰত ভ্ৰমণ সম্পূৰ্ণ নহয় বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰীৰ মন্তব্য।

৪। নগাঁৱৰ ধিং ৰাজহ চক্ৰৰ দখলিকৃত চৰকাৰী ভূমিত আজি পঞ্চম দিনাও প্ৰশাসনৰ উচ্ছেদ অভিযান। *আৰু*

৪। আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫জনীয়া ভাৰতীয় দল ঘোষণা।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত টাৰ্মিনেল ভৱন উদ্বোধন কৰে। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বাঁহ আৰু কপৌ ফুলৰ আৰ্হিত এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু কপৌ ফুলক  বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত কয় যে নতুন বিমান বন্দৰৰ টাৰ্মিনেল ভৱন নিৰ্মাণে অসমৰ লগতে উত্তৰ-পূবৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। অসমে পথ আৰু বিমান সেৱাৰ আন্তঃগাথনিৰ ক্ষেত্ৰত কৰা উন্নয়নৰ ওপৰতো তেওঁ আলোকপাত কৰে। অসমে আন্তঃগাথনিগত দিশৰ উন্নয়নৰ লগতে আইন শৃংখলা উন্নয়ন সাধন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ভাৰতীয় ন্যায় সংহিতা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰত শীৰ্ষ স্থানত থকা বিষয়টোক লৈ প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে। অসমে উন্নয়নৰ বিভিন্ন ক্ষেত্ৰত অভিলেখ সৃষ্টি কৰি অগ্ৰসৰ হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে।

বাইট ঃ মোদী

অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডু, মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰীক গামোচা, লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবি আৰু নতুন বিমান বন্দৰৰ আৰ্হিত খোদিত বিশেষ স্মাৰকেৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত দিয়া ভাষণত বিমান পৰিবহন মন্ত্ৰীগৰাকীয়ে অসম তথা উত্তৰ পূবৰ বৈচিত্ৰপূৰ্ণ সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্য আৰু লোক জীৱনক প্ৰশংসা কৰি কয় যে উত্তৰ পূব ভ্ৰমণ অবিহনে ভাৰত ভ্ৰমণ সম্পূৰ্ণ নহয়। তেওঁ সকলোকে অসম তথা উত্তৰ পূব ভ্ৰমণৰ বাবে আহ্বান জনায়।

বাইট ঃ কিঞ্জাৰাপু ৰামমোহন নাইডু

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত অসমবাসীয়ে নিজৰ সপোনক বাস্তৱায়িত কৰিব পৰাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিকদৰ্শন কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে শান্তি, প্ৰগতি আৰু বিকাশৰ পথত অগ্ৰসৰ হোৱা ৰাজ্যখনে গুৱাহাটী বিমান বন্দৰত সোনকালে দ্বিতীয়টো টাৰ্মিনেল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

ইয়াৰ আগেয়ে বৰঝাৰ বিমান বন্দৰত অৱতৰণ কৰাৰ পাছতে প্ৰধানমন্ত্ৰীয়ে অসমৰ বৰ্ণাঢ্য সংস্কৃতি প্ৰদৰ্শনেৰে আদৰণি জনোৱা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে। এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থাকে। ইয়াৰ পাছতে তেওঁ টাৰ্মিনেল ভৱনৰ বাহিৰত এখন জনসভাত ভাগ লয়। প্ৰধানমন্ত্ৰীয়ে সৰুসজাইৰ পৰা বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়লৈ উলিওৱা এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। তেওঁ কিছুসময় পাছতে গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। ইতিমধ্যে এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মন্ত্ৰী বিমল বৰাই কালি জনসভাস্থলী পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে।

০০০০

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ দখলিকৃত চৰকাৰী ভূমিত আজি পঞ্চম দিনাও উচ্ছেদ অভিযান চলায়। প্ৰশাসনে আজি মৈৰাধবজত অবৈধভাৱে খন্দা পুখুৰীত উচ্চেদ অভিযান চলায়।

এই অভিযানৰ বাবে তিনি শতাধিক আৰক্ষীৰ লোক নিয়োগ কৰা হয়। ১৬ ডিচেম্বৰৰ পৰা চলা এই উচ্ছেদ অভিযানত মৈৰাধবজ, বেচামাৰী, শালমৰাবৰি, অকৰাবৰি, গেলেকনি বিলৰ টুকটুকী, শালনাবাৰী আৰু আহোম গাঁৱৰ অবৈধভাৱে পুখুৰী খনন কৰা চৰকাৰী ভূমি দখলমুক্ত কৰা হয়।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ অভিলাসী জিলা কাৰ্যসূচীৰ অধীনত বৰপেটা জিলাত ৰূপায়িত কাম-কাজ আজি জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্তসচিব মনিষ ঠাকুৰে পৰ্যালোচনা কৰে। বৰপেটা জিলা আযুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকত শ্ৰীঠাকুৰে স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ আঁচনিসমূহৰ সুফল জনসাধাৰণে কিদৰে লাভ কৰিছে সেই বিষয়ে বুজ লয়। তদুপৰি আঁচনিসমূহৰ ফলত সামাজিক স্তৰত কি পৰিৱৰ্তন সাধন হৈছে সেই বিষয়েও তেওঁ তথ্য বিচাৰে। জিলাখনত আধৰুৱাকৈ শিক্ষা ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীৰ সমস্যাৰ বিষয়েও তেওঁ আলোচনা কৰে।

০০০০

নগাঁও জিলাৰ কামপুৰ-যমুনামুখৰ মাজৰ চাংজুৰাই ৰে’লপথত আজি পুৱতি নিশা ৰেলৰ খুন্দাত ৭ টা হাতীৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত হোজাই জিলাৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰি সবিশেষ বুজ লয়। তেঁও এনে ঘটনা যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে বন বিভাগ আৰু ৰেল কৰ্তৃপক্ষক আলোচনামৰ্মে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, আজি পুৱতি নিশা ২ বাজি ১৭ মিনিটত নামনিমুৱা চাইৰাং নতুন দিল্লী-ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বনৰীয়া হাতীৰ মৃত্যু হয় আৰু এটা আহত হয়। এই দুৰ্ঘটনাত ৰে’লখনৰ ইঞ্জিনসহ পাঁচটা দবা লাইনৰ পৰা বাগৰি পৰে। দুৰ্ঘটনাত কোনো লোক হতাহত হোৱা নাই বুলি ৰে’ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে পুৱতি নিশা বনৰীয়া হাতীৰ এটা জাকে ৰে’লপথ অতিক্ৰম কৰাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়।  ইয়াৰ ভিতৰত দুটা দঁতাল হাতী আৰু এজনী গৰ্ভৱতী হাতীকে ধৰি পাঁচজনী মাইকী হাতী আছিল। ঘটনাৰ খবৰ পোৱা মাত্ৰেই ৰে’ল বিভাগ আৰু বন বিভাগৰ বিষয়া কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁলোকে তৎপৰতাৰে কাম আৰম্ভ কৰি ৰে’লপথছোৱা মুকলি কৰে।

০০০০

গুৱাহাটীৰ খানাপাৰাত অহা ২৪ ডিচেম্বৰৰ পৰা হ’বলগীয়া অসম গ্ৰন্থমেলাত ২৭ ডিচেম্বৰত যুৱ লেখকৰ বিশেষ অনুষ্ঠান উন্মীলন অনুষ্ঠিত হ’ব। এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে আবেদনৰ ভিত্তিত ৩৫ বছৰ অনুৰ্ধৰ ৩৫ গৰাকী যুৱ লেখক-লেখিকাক বাছনিৰ ব্যৱস্থা কৰা হৈছে। আগ্ৰহী লেখক-লেখিকাসকলে ২৩ ডিচেম্বৰৰ পূৰ্বে অসম প্ৰকাশন পৰিষদৰ ৱেবছাইটত উন্মীলন শীৰ্ষক গুগলৰ প্ৰ-পত্ৰখন পূৰণ কৰিব লাগিব। খানাপাৰা অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ২৭ ডিচেম্বৰৰ দিনৰ ১২ বজাত এই কাৰ্যসূচী অনুষ্ঠিত হ’ব। যুৱ লেখক লেখিকাসকলৰ মাজৰ পৰা বাচনি কৰা ৩৫ গৰাকীক অসম গ্ৰন্থমেলাৰ আয়োজক কৰ্তৃপক্ষই যোগাযোগ কৰিব।

০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চৰচ মেলা কাইলৈৰ পৰা ৩০ ডিচেম্বৰলৈ তিনিচুকীয়া জিলাত অনুষ্ঠিত হ’ব। চৰচ মেলাত দেশৰ বিভিন্ন ৰাজ্যৰ হস্তশিল্প, মৃৎ শিল্প, কাঠ শিল্প সামগ্ৰীকে ধৰি খাদী, টেৰাকোটা সামগ্ৰীৰ ২৫ খন বিশেষ বিপণী থাকিব। তদুপৰি অসমৰ মুগা শিল্প, জি আই টেগযুক্ত পানীমেটেকাৰ সামগ্ৰী, বাঁহ-বেতৰ সামগ্ৰী, মুখাশিল্প, থলুৱা খাদ্য আৰু অন্যান্য হস্তনিৰ্মিত সামগ্ৰীৰ বিপণী থাকিব। মেলাৰ

সৈতে সংগতি ৰাখি থলুৱা খাদ্য আৰু ৰন্ধন প্ৰতিযোগিতা, সংগীত, নৃত্য-চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিত আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ডঃ দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০

কলিয়াবৰৰ শিলঘাটত অৱস্থিত অসম সমবায় মৰাপাট কলৰ দ্বিতীয়টো গোটত ২০ দিনীয়া অচলাৱস্থাৰ অন্তত কাইলৈৰ পৰা পুনৰ উৎপাদন আৰম্ভ হ'ব। চনু এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী শশী প্ৰকাশ পুৰোহিতক মৰাপাট কল পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। মৰাপাট যোগানকাৰীৰ সৈতে হোৱা বৈঠকত দ্বিতীয় গোটটোৰ উৎপাদন আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০

অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধীনত আজি বজালী জিলাৰ পাটাছাৰকুছিত এটা ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰা হয়। বজালী জিলাৰ অতিৰিক্ত আয়ুক্ত উপাসনা দত্তই এই কেন্দ্ৰ মুকলি কৰে। তেওঁ কয় যে এই কেন্দ্ৰৰ জৰিয়তে কৃষকসকল যথেষ্ট উপকৃত হ'ব। অনুষ্ঠানত কৃষি বিভাগৰ কেইবাজনো জ্যেষ্ঠ বিষয়াকে ধৰি স্থানীয় কৃষক উপস্থিত থাকে।

০০০০

ৰাজ্যৰ চৰকাৰী, স্বীকৃতিপ্ৰাপ্ত অথবা প্ৰাদেশিকীকৃত মজলীয়া আৰু নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত অধ্যয়নৰত প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ২০২৫-২৬ বৰ্ষৰ প্ৰাক-প্ৰৱেশিকা বৃত্তিৰ বাবে আবেদন পত্ৰৰ আহ্বান জনোৱা হৈছে। ভৈয়াম জনজাতি পৰিক্ৰমা সঞ্চালকালয়ে এখন জাননীযোগে আবেদন পত্ৰ আহ্বানৰ কথা প্ৰকাশ কৰিছে। পিতৃ-মাতৃ বা অভিভাৱকৰ বাৰ্ষিক আয় ৫০ হাজাৰ টকাৰ কম হোৱা ছাত্ৰ-ছাত্ৰীসকলে এই বৃত্তিৰ বাবে আবেদন কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে www.directoratetribalaffairsplain.assam.gov.in-ৰ জৰিয়তে আবেদন পত্ৰ সংগ্ৰহ কৰিব পাৰিব আৰু অহা ৩০ ডিচেম্বৰৰ ভিতৰত আবেদনপত্ৰসমূহ নিজ নিজ শিক্ষানুষ্ঠানত জমা দিব লাগিব। অৰ্হতাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে বছৰি এহেজাৰ ২০০ টকাকৈ জলপানি লাভ কৰিব।

০০০০

ধেমাজি জিলা আবকাৰি বিভাগ আৰু জোনাই সমজিলা আবকাৰি বিভাগে যৌথভাৱে অভিযান চলাই যোৱা নিশা জোনাই বিভিন্ন স্থানত বুজন পৰিমাণৰ অৰুণাচলী সুৰা জব্দ কৰে। বিশেষ সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত অসম-অৰুণাচল সীমান্তৰ কেইবাটাও অঞ্চলত অভিযান চলাই দলটোৱে এই ব্যৱসায়ৰ লগত জড়িত দুজন লোকক আটক কৰে। আটকাধীন লোক দুজনক বৰ্তমান আবকাৰি বিভাগৰ জিম্মাত ৰাখি সোধা-পোছা কৰি থকা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫জনীয়া দল ঘোষণা কৰিছে। সূৰ্য কুমাৰ যাদৱক দলটোৰ অধিনায়ক হিচাপে দায়িত্ব দিয়া হৈছে। শাৰিৰীক অসুস্থতা আৰু ফৰ্ম নথকাৰ বাবে শুভমন গীলক উপ-অধিনায়কৰ দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে আৰু দলৰ পৰাও বাদ দিয়া হৈছে। অক্ষৰ পেটেলক পুনৰ উপ-অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। দলত সঞ্জু ছেমচন আৰু অভিষেক শৰ্মাক অপেনাৰ হিচাপে দলত স্থান দিয়া হৈছে। উইকেট কীপাৰ বেটছমেন ঈষাণ কিষাণক দ্বিতীয় উইকেট কীপাৰ হিচাপে দলত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতীয় দলটোৰ সদস্যসকলৰ ভিতৰত সূৰ্য কুমাৰ যাদৱ, অভিষেক শৰ্মা, সঞ্জু ছেমচন, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, শিৱম ডুবে, অক্ষৰ পেটেল, ৰিংকু সিং, যশপ্ৰীত বুমৰা, হৰ্ষিত ৰাণা, অৰ্শ্বদীপ সিং, কুলদীপ যাদৱ, বৰুণ চক্ৰৱৰ্তী, ৱাশ্বিংটন সুন্দৰ আৰু ঈষাণ কিষাণ আছে। আই চি চি টি-২০ বিশ্বকাপ অহা বছৰ ৭ ফেব্ৰুৱাৰীৰ পৰা ৮ মাৰ্চলৈ অনুষ্ঠিত হ'ব।

০০০০

স্বনামধন্য ক্ৰিকেট খেলুৱৈ নৱ কমল ভূঞাৰ আজি পুৱা চেন্নাইত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৮ বছৰ। উল্লেখযোগ্য যে অসমৰ হৈ প্ৰয়াত ভূঞাই প্ৰথম ৰঞ্জী ট্ৰফী প্ৰতিযোগিতাত অংশ লৈছিল। উল্লেখযোগ্য যে প্ৰথমখন ৰঞ্জী ট্ৰফী খেলত যোৰহাট ষ্টেডিয়ামত হোল্কাৰ ষ্টেটৰ বিৰুদ্ধে প্ৰথমটো ৰাণ কৰি ইতিহাস সৃষ্টি কৰিছিল। ৪০ আৰু ৫০ৰ দশকত তেওঁ অসমত ক্ৰিকেট খেলৰ অনুকূল পৰিবেশ সৃষ্টিত উল্লেখনীয় ভূমিকা আগবঢ়াই গৈছে। তেওঁৰ মৃত্যুত ৰাজ্যৰ বিভিন্ন ক্ৰীড়া সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত